# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-01-2026
**Time :** 1910 Hrs.

## *Assamese NSD Evening Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পৱিত্ৰ পিপৰহৱা অৱশেষৰ আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী উদ্বোধন কৰে।

২। পৰম্পৰাগত প্ৰজ্ঞাক আধুনিক বিজ্ঞানৰ সৈতে একত্ৰিত কৰাটো সুস্থ জীৱন যাপনৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'ল পৰিদৰ্শন কৰে।

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে, ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰো আৰু তেওঁৰ পত্নীক কৰায়ত্ত কৰি দেশৰ বাহিৰলৈ প্ৰেৰণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰতৰ ১৯ বথৰ অনুৰ্দ্ধৰ ক্ৰিকেট দলে চলিত তিনিখনীয়া শৃংখলাৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় এদিনীয়াত দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩০১ ৰাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত - **লাইট এণ্ড দ্য ল'টাছ** শীৰ্ষক পৱিত্ৰ পিপৰহৱা অৱশেষৰ আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমোদীয়ে কয়, যে ১২৫ বছৰ দীৰ্ঘ প্ৰতীক্ষাৰ অন্তত দেশৰ ঐতিহ্য আৰু ইয়াৰ পৱিত্ৰ গৰিমাও ঘূৰি আহিছে। তেওঁ কয়, যে আজিৰে পৰা দেশৰ জনসাধাৰণে গৌতম বুদ্ধৰ এই পৱিত্ৰ অৱশেষ দৰ্শন কৰিব পাৰিব আৰু তেওঁৰ দৈব্যাআশিষ লাভ কৰিব পাৰিব। শ্ৰীমোদীয়ে ভগৱান বুদ্ধৰ এই অৱশেষ লৈ যোৱা লোকসকলে আন্তঃৰাষ্ট্ৰীয় বজাৰত ইয়াক নিলাম কৰাৰ চেষ্টা কৰিছিল। কিন্তু ভাৰতৰ বাবে এই অৱশেষ ভগৱান আৰু সমাজৰ এটা অভিন্ন অংগ। সেইবাবে চৰকাৰে এই অৱশেষৰ নিলাম কাৰ্য বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ভাৰত ভগৱান বুদ্ধৰ এই পৱিত্ৰ অৱশেষৰ ৰক্ষকেই নহয়, বৰঞ্চ এই পৰম্পৰাৰ জীৱন্ত বাহক বুলিও প্ৰধানমন্ত্ৰীয়ে সজোৰে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ বাবে এই পৱিত্ৰ অৱশেষ কেৱল ভগবান বুদ্ধৰ কলাকৃতিয়েই নহয়, বৰং দেশৰ সন্মানীয় ঐতিহ্য আৰু দেশৰ সভ্যতাৰ গুৰুত্বপূৰ্ণ অংশ। তেওঁ কয় যে ভগৱান বুদ্ধই দেখুৱাই যোৱা জ্ঞান আৰু আদৰ্শৰ পথ কেৱল মানৱতাৰ দিশটোৰেই বিশেষভাৱে প্ৰতিফলিত কৰিছে।

বৌদ্ধ ধৰ্মৰ প্ৰাৰম্ভিক অৱস্থাৰ অধ্যয়নত ১৮৯৮ চনত সন্ধান পোৱা পিপৰহৱা অৱশেষৰ গুৰুত্বপূৰ্ণ স্থান আছে। এয়া ভগৱান বুদ্ধৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত প্ৰাচীন আৰু ঐতিহাসিক দিশৰ পৰা গুৰুত্বপূৰ্ণ অৱশেষসমূহৰ অন্যতম। প্ৰত্নতাত্বিক প্ৰমাণৰ পৰা পিপৰহৱা থলী আৰু প্ৰাচীন কপিলাবস্তুৰ যোগসূত্ৰৰ কথা পোহৰলৈ আহে। ভগৱান বুদ্ধই দিব্য জ্ঞান লাভ কৰাৰ পূৰ্বে কপিলা বস্তুত পাৰম্ভিক জীৱন অতিবাহিত কৰিছিল। এই প্ৰদৰ্শনীয়ে প্ৰথমবাৰৰ বাবে এক শতিকাৰো অধিক কালৰ পাছত পিপৰহৱা অৱশেষক স্বদেশলৈ ঘূৰাই অনা হৈছে। পিপৰহৱা অৱশেষৰ কিছু অংশ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয় আৰু কলকাতাৰ ভাৰতীয় সংগ্ৰহলায়ত সংৰক্ষিত কৰা হৈছে।

কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে এই ঐতিহাসিক প্ৰদৰ্শনীয়ে ১২৭ বছৰ পাছত ভগৱান বুদ্ধৰ পিপৰহৱা প্ৰত্ন অৱশেষৰ স্বদেশ প্ৰত্যাৱৰ্তনক সূচায়। তেওঁ কয়, যে এয়া সমগ্ৰ দেশৰ বাবে প্ৰেৰণা আৰু গৌৰৱৰ বিষয়। সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশৰ ঐতিহ্যৰ সংৰক্ষণৰ সৈতে উন্নয়নৰ দৃষ্টিভংগী অনুযায়ী কাম কৰি আহিছে

বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীশেখাৱটে কয়, যে তেওঁৰ মন্ত্ৰালয়ে দেশৰ প্ৰত্নতাত্বিক আৰু সাংস্কৃতিৰ ঐতিহ্যৰ সংৰক্ষণ, পাণ্ডুলিপিৰ ডিজিটেল ৰূপ প্ৰদান আৰু দেশৰ সাংস্কৃতিক সম্পৰ্কৰ সুদৃঢ়কৰণৰ হকে কাম কৰি আছে।

নতুন দিল্লীত আয়োজন কৰা এই প্ৰদৰ্শনীৰ ভগৱান বুদ্ধৰ শিকনিসমূহৰ সৈতে ভাৰতৰ গভীৰ তথা নিৰন্তৰ সভ্যতাজনিত সম্পৰ্কক প্ৰতিফলিত কৰে আৰু দেশৰ চহকী আধ্যাত্মিক তথা সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিবদ্ধতাক সূচায়। চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টা, প্ৰতিষ্ঠানগত সহযোগিতা আৰু অভিনৱ ৰাজহুৱা ব্যক্তিগত সহযোগিতাৰ বাবে অলপতে এই অৱশেষসমূহ স্বদেশলৈ আনিব পৰা গৈছে।

০০০০০০০০০

পৰম্পৰাগত প্ৰজ্ঞাক আধুনিক বিজ্ঞানৰ সৈতে একত্ৰিত কৰাটো সুস্থ জীৱন যাপনৰ বাবে অতি গুৰুত্বপূৰ্ণ। চেন্নাইত আজি ৰাষ্ট্ৰীয় সিদ্ধ দিৱসৰ অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে সিদ্ধ হৈছে জীৱন্ত পৰম্পৰা, এয়া অতীতৰ স্মৃতি নহয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ঋষি আগাঠিয়াৰক শ্ৰদ্ধা জনায় আৰু বৰ্তমানৰ স্বাস্থ্য ব্যৱস্থাত সিদ্ধ চিকিৎসা ব্যৱস্থাৰ চিৰস্থায়ী প্ৰাসংগিকতা সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ কয় যে আয়ুষৰ অধীনত সিদ্ধ, আয়ুৰ্বেদ আদি ব্যৱস্থাই লক্ষাধিক নাগিৰকৰ মংগলৰ বাবে কাম  কৰি আহিছে। অনুষ্ঠানত উপস্থিত থাকি আয়ুষৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী, প্ৰতাপ ৰাও যাদৱে কয় যে সিদ্ধ চিকিৎসা প্ৰাচীন চিকিৎসা পদ্ধতি। তেওঁ লগতে কয় যে ভাৰতীয় চিকিৎসা পদ্ধতি বৈজ্ঞানিক আৰু আধ্যাত্মিক ধাৰাৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই চিকিৎসা পদ্ধতিয়ে সাম্প্ৰতিক সময়ত দেখা দিয়া নতুন নতুন ৰোগৰ প্ৰতিকাৰ কৰিব পাৰে।

০০০০০০০০০

কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰেল পৰিদৰ্শন কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয় যে এই ৰেলখন দূৰণিবটীয়া যাত্ৰা আৰু নৈশ যাত্ৰাৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা হৈছে। চলিত মাহৰ দ্বিতীয়াৰ্ধত গুৱাহাটী আৰু কলকাতাৰ মাজত শীত-তাপ নিয়ন্ত্ৰিত এই বিশেষ ৰেল সেৱা মুকলি কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এই ৰেল সেৱাৰ দ্বাৰা দেশৰ দূৰণিবটীয়া ৰেল যাত্ৰা উন্নীতকৰণ হ'ব। বন্দে ভাৰত শ্লীপাৰ ৰেল সেৱাত  দ্ৰুত ভ্ৰমণ, অধিক আৰামদায়ক আৰু আধুনিক নিৰাপত্তা ব্যৱস্থা থকিব বুলিও কেন্দ্ৰীয় ৰেল মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৈষ্ণৱে লগতে কয় যে যাত্ৰীসকলৰ বাবে অত্যাধুনিক সুবিধা, আৰামদায়ক শয়ন ব্যৱস্থা, স্বয়ংক্ৰিয় দুৱাৰ আৰু আধুনিক শৌচাগাৰৰ ব্যৱস্থাও এই ৰেলখনত উপলব্ধ হ'ব।

০০০০০০০০০

নিৰ্বাচন আয়োগে সকলো নাগৰিককে ECI Net App ডাউনলড  কৰি এপত থকা Submit a Suggestion ব্যৱহাৰ কৰি পৰামৰ্শসমূহ দাখিল কৰিবলৈ আহ্বান জনাইছে। নাগৰিকসকলে চলিত মাহৰ ১০ তাৰিখলৈকে নিজৰ পৰামৰ্শসমূহ দাখিল কৰিব পাৰিব। ECI Net App হৈছে নাগৰিকসকলৰ একক আৰু ঐক্যবদ্ধ এটা এপ য'ত ৪০টা পৃথক নিৰ্বাচন সম্পৰ্কীয় এপ্লিকেশ্যন আছে। ইয়াৰ ভিতৰত ভোটাৰ হেল্পলাইন এপ চি-ভিজিল, সক্ষম, পুলিং ট্ৰেণ্ড্ছ আৰু ন' ইঅ'ৰ কেণ্ডিডেট এপ আদি। ECI Net App হৈছে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত নিৰ্বাচন আয়োগৰ বিশেষ পদক্ষেপ। উল্লেখযোগ্য যে বিহাৰ বিধানসভা নিৰ্বাচন ২০২৫ আৰু উপ-নিৰ্বাচনৰ সময়ত এই এপটো সফলভাৱে পৰীক্ষণ সম্পূৰ্ণ হৈছে। তেওঁ কয় যে চলিত মাহৰ ভিতৰতে ECI Net মঞ্চ আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব।

০০০০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে, ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰো আৰু তেওঁৰ পত্নীক কৰায়ত্ত কৰি দেশৰ বাহিৰলৈ লৈ যোৱা হৈছে বুলি প্ৰকাশ কৰিছে। আজি পুৱতি নিশা আমেৰিকাই ভেনিজুৱেলা আৰু ইয়াৰ নেতৃবৰ্গৰ ওপৰত বৃহৎ আক্ৰমণ সংঘটিত কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীট্ৰাম্পে কয় যে আমেৰিকাৰ আইন প্ৰণয়নকাৰী বাহিনীৰ সহযোগত এই অভিযান চলোৱা হৈছিল। ভেনিজুৱেলাৰ ৰাজধানী কাৰাবাচত আজি পুৱতি নিশা কেইবাটাও বৃহৎ বিস্ফোৰণৰ শব্দ শুনিবলৈ পোৱা যায়। কলম্বিয়াৰ বাগোটাৰ আমেৰিকাৰ দূতাবাসে আমেৰিকাৰ নাগৰিকসকলক ভেনিজুৱেলা আৰু ইয়াৰ সীমান্ত অঞ্চল ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ জাৰি কৰিছে। ভেনিজুৱেলাই ড'নাল্ড ট্ৰাম্প নেতৃত্বাধীন আমেৰিকাৰ চৰকাৰক এই কাৰ্যৰ বাবে কঠোৰ ভাষাৰে নিন্দা কৰি এই কাৰ্য অত্যন্ত গুৰুতৰ সামৰিক আগ্ৰাসন বুলি ব্যাখ্যা

কৰিছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভেনিজুৱেলাই ইতিমধ্যে ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা ঘোষণা কৰিছে। ভেনিজুৱেলৰ উপৰাষ্ট্ৰপতি ডেল্‌কি ৰুদ্ৰীগ্‌জে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত দেশখনক আমেৰিকাই কৰা আক্ৰমণ সন্দৰ্ভত আলোচনাৰ বাবে জৰুৰী বৈঠক অনুষ্ঠিত কৰাৰ আহ্বান জনাইছে। ইপিনে ৰাছিয়া আৰু ইৰাণকে ধৰি সমগ্ৰ বিশ্বৰ কেইবাখনো দেশে ভেনিজুৱেলাৰ ওপৰত আমেৰিকাৰ আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। কিউবাৰ ৰাষ্ট্ৰপতি মিগুৱেল ডিয়াজ কেনেলেও এই আক্ৰমণক গৰিহণা দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ পৰা এই ক্ষেত্ৰত জৰুৰী সঁহাৰি আহ্বান কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বাৰানসীত ৭২ সংখ্যক ৰাষ্ট্ৰীয় ভলীবল প্ৰতিযোগিতা ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে উদ্বোধন কৰিব। এই প্ৰতিযোগিতাত দেশৰ বিভিন্ন ৰাজ্যৰ পৰা অংশগ্ৰহণ কৰা ৫৮টা দলৰ এহেজাৰতকৈও অধিক খেলুৱৈয়ে ভাগ ল'ব। প্ৰতিযোগিতাখন অহা ১১ জানুৱাৰীত সামৰণি পৰিব। এই প্ৰতিযোগিতাত খেলুৱৈসুলভ মনোভাৱ, সুস্থ প্ৰতিযোগিতা আৰু ভলীবলত ভাৰতীয়ৰ যোগ্যতাৰ উচ্চ মান দেখিবলৈ পোৱা যাব বুলি আশা কৰা হৈছে। প্ৰতিযোগিতাখনৰ জৰিয়তে মহানগৰখনত খেলুৱৈসকলৰ বিকাশ আৰু খেলৰ আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি মহানগৰখনত পৰৱৰ্তী সময়ত গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলৰ লগতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাৰ এটা মূল কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰতো এই প্ৰতিযোগিতাই বিশেষ ভূমিকা আগবঢ়াব।

০০০০০০০০০

ভাৰতৰ ১৯ বছৰ অনুৰ্ধৰ ক্ৰিকেট দলে বেননীৰ উইল'মোৰ পাৰ্কত অনুষ্ঠিত চলিত তিনিখনীয়া শৃংখলাৰ প্ৰথমখন এদিনীয়াত দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩০১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩০০ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ হৰবংশ পংগালিয়াই সৰ্বাধিক ৯৩ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈকে চাৰি অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ২৫ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। অহা ১৫ জানুৱাৰীৰ পৰা হ'বলগীয়া আই চি চি ১৯ বছৰ অনূৰ্ধ বিশ্বকাপৰ পূৰ্বে এই শৃংখলা দুয়োটা দলৰ বাবে উপযুক্ত প্ৰস্তুতিমূলক খেল হিচাপে বিবেচিত হ'ব। বৈভৱ সূৰ্যবংশীয়ে ভাৰতীয় দলটোক নেতৃত্ব দিছে।

০০০০০০০০০

**সমাপ্ত**